**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-11-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত ৰাজসাহায্যযুক্ত মচুৰ দাইল, চেনী আৰু নিমখ সুলভ মূল্যত যোগান আঁচনিৰ শুভাৰম্ভ কৰে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কেন্দ্ৰীয়ভাৱে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে অংশ লোৱাৰ লগতে ৰাজ্যৰ প্ৰায় ৩৩ হাজাৰ সুলভ মূল্যৰ দোকানত মন্ত্ৰী, বিধায়ক আৰু স্থানীয় লোকসকলৰ উপস্থিতিত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। বিভিন্ন জিলাত আয়োজিত এই অনুষ্ঠানসমূহত মুখ্যমন্ত্ৰীৰ উপস্থিতিত গুৱাহাটীৰ কেন্দ্ৰীয় অনুষ্ঠানটো পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হয়। মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত ৰাজ্যখনত থকা প্ৰায় ৭০ লাখ পৰিয়ালে এই আঁচনিৰ সুবিধা লাভ কৰিব পাৰিব আৰু প্ৰায় ২ কোটি ৪৫ লাখ হিতাধিকাৰী উপকৃত হ'ব। এই আঁচনিৰ অধীনত ৰেচন কাৰ্ডপ্ৰাপ্ত পৰিয়ালে প্ৰতি মাহে ৬৯ টকাত মচুৰ দাইল, ৩৮ টকাত চেনি আৰু ১০ টকাত নিমখ ক্ৰয় কৰিব পাৰিব। এই বিশেষ মূল্য নৱেম্বৰ আৰু ডিচেম্বৰ মাহত প্ৰযোজ্য হ'ব। পৰৱৰ্তী পৰ্যায়ত ২০২৬ চনৰ জানুৱাৰীৰ পৰা অধিক সুলভ মূল্যত এই সামগ্ৰীসমূহ লাভ কৰিব। ৰাজ্যৰ প্ৰায় ৭০ লাখ লোক এই আঁচনিৰ জৰিয়তে উপকৃত হ'ব। মুখ্যমন্ত্ৰীৰ লগতে চৰকাৰে যোৱা ৫ বছৰত পূৰ্বে দিয়া প্ৰতিশ্ৰুতি অনুসৰি সকলো কাম কৰি গৈছে বুলি উল্লেখ কৰি দৰিদ্ৰ আৰু মধ্যবিত্ত লোকসকলৰ সহায়ৰ বাবে চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে উল্লেখ কৰে।

**বাইট (চি এম)**

আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে সুলভ মূল্যৰ দোকানীসকলক প্ৰতি কিলো দাইল, চেনি আৰু নিমখৰ বিপৰীতে দুটকাকৈ দিয়া হ'ব বুলি উল্লেখ কৰি ৰাইজৰ পৰা তেওঁলোকক অতিৰিক্ত ধন নল'বলৈ আহ্বান জনায়। অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহল, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়, শ্ৰমিক কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালাৰ লগতে কেইবাগৰাকীও সাংসদ, বিধায়ক আৰু চৰকাৰী শীৰ্ষ বিষয়া উপস্থিত থাকে।

ৰাজ্যৰ অন্যান্য জিলাতো এই অনুষ্ঠানৰ আয়োজন কৰা হয়। **শোণিতপুৰ** জিলাৰ ৯৮৬ খন সুলভ মূল্যৰ দোকানত এই আঁচনি উদ্বোধন কৰা হয়। **মৰিগাঁও** জিলাত আজি এহেজাৰ ৮৮ খন সুলভ মূল্যৰ দোকানত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। জাগীৰোড সমষ্টিৰ শিলচাং সমবায় সমিতিত অনুষ্ঠিত এই কাৰ্যসূচীত মন্ত্ৰী পীযুষ হাজৰিকা উপস্থিত থাকে। **ওদালগুৰি** জিলাতো আজি বি টি চিৰ পাৰিষদ অৰ্জুন দৈমাৰীয়ে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। **বাক্সা** জিলাৰ ৪৬০ খন সুলভ মূল্যৰ দোকানৰ পৰা সামগ্ৰী লাভ কৰা ১ লাখ ১৭ হাজাৰৰো অধিক ৰেচন কাৰ্ড থকা হিতাধিকাৰীৰ বাবে আজি এই আঁচনিৰ শুভাৰম্ভ কৰা হয়। তামুলপুৰতো আজি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনত সুলভ মূল্যৰ মচুৰ দাইল, চেনি আৰু নিমখ বিতৰণৰ আজি শুভাৰম্ভ কৰা হয়। জিলাখনৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে এই আঁচনিৰ শুভাৰম্ভ কৰে। ইয়াৰ অধীনত জিলাখনৰ ৩৮৩ খন সুলভ মূল্যৰ দোকানৰ জৰিয়তে ৯৭ হাজাৰ ৯১৭ টা পৰিয়াল উপকৃত হ'ব।

০০০০০০০

বন্দে মাতৰম গীতটোৰ ডেৰশ বছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষে  ৰাজ্যৰ বিভিন্ন জিলাত আকৰ্ষণীয় কাৰ্যসূচী হাতত লোৱা হৈছে। বৰপেটা আৰক্ষীয়ে আজি চহৰৰ পাঁচ আলি চকত গীতটোৰ সুৰ সমলয় পৰিৱেশন কৰে। লখিমপুৰতো জিলাৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ পৰা আৰক্ষী বাহনীয়ে বেণ্ডসহ সমদল কৰি চহৰখৰ ক্লক টাৱাৰৰ সন্মুখলৈকে গীতটি পৰিৱেশন কৰে।

০০০০০০০

গোৱালপাৰা জিলাৰ দহিকটা বনাঞ্চলত প্ৰশাসন আৰু বন বিভাগে কালি উচ্ছেদ অভিযান চলাই এহেজাৰ ১৪০ বিঘা মাটি দখলমুক্ত কৰাৰ পাছত সেই অঞ্চলটো সংৰক্ষিত কৰি ৰখাৰ বাবে কাঁইটীয়া তাঁৰৰ বেৰ দিয়াৰ কাম আৰম্ভ কৰিছে। বন আৰু পৰিৱেশ বিভাগৰ দায়িত্বত থকা বিশেষ মুখ্য সচিব এম কে যাদৱৰ লগতে জিলাৰ বন সংমণ্ডল প্ৰাধীকাৰী তেজেছ্ মৰিশ্বামীয়ে আজি সেই ঠাই পৰিদৰ্শন কৰি অঞ্চলটোৰ সংৰক্ষণৰ বিষয়ে বন-বিষয়া আৰু কৰ্মচাৰীসকলৰ সৈতে আলোচনাত মিলিত হয়।

০০০০০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাস মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। নগাঁও জিলাৰ কলিয়াবৰৰ শিলঘাটৰ ৰাসথলীত কালি ইংলেণ্ড, স্কটলেণ্ডকে ধৰি বহিঃৰাষ্ট্ৰৰ পৰা অহা ১৭ জনীয়া পৰ্যটকৰ এটা দলে ৰাসলীলা উপভোগ কৰে। নদীপথেৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ অহা পৰ্যটকৰ দলটোৱে নিশা শিলঘাটত নদীৰ বুকুত জাহাজতে অতিবাহিত কৰাৰ পাছত আজি পুৱা পুনৰ কাজিৰঙা দৰ্শনৰ বাবে যাত্ৰা কৰে। ইপিনে, বাক্সা জিলাত ৯২ সংখ্যক পূব খাগ্ৰাবাৰী ৰাস মহোৎসৱত জীৱন্ত ৰাসলীলাই অগণন লোকক মুগ্ধ কৰিছে। এই ৰাসলীলা উপভোগ কৰিবলৈ বহু লোকৰ সমাগম হৈছে।

০০০০০০০০

**সমাপ্ত**